2017

# FOLKLORE

## ( Material Culture )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) How many kinds of material cultures are found?

ভৌতিক সংস্কৃতিক কেইভাগত ভগাব পাৰি ?

(b) Name two musical instruments of traditional Assamese society.

পৰম্পৰাগত অসমীয়া সমাজত ব্যৱহৃত দুবিধ বাদ্যযন্ত্ৰৰ নাম লিখা।

(c) Name two ornaments prevalent in traditional Assamese society.

পৰম্পৰাগত অসমীয়া সমাজত প্ৰচলিত দুবিধ অলংকাৰৰ নাম লিখা।

(d) Name two agricultural implements found in traditional Assamese society.
পৰম্পৰাগত অসমীয়া সমাজত ব্যৱহৃত দুবিধ কৃষিৰ সঁজুলিৰ নাম লিখা।

(e) Name one fairly rich heritage painting of old manuscripts of Assam.
পুৰণি অসমৰ চিত্ৰশিল্পৰ ঐতিহ্য বহন কৰা এখনি সাঁচিপতীয়া পুথিৰ নাম লিখা।

(f) What is 'Āolā'?
'আওলা' কি?

(g) To which division of material culture 'rou-masar suka-tengā anjā' is included?
'ৰৌ-মাছৰ চুকা-টেঙা আঞ্জা'ক ভৌতিক সংস্কৃতিৰ কোনটো ভাগত অন্তৰ্ভুক্ত কৰিব পাৰি?

(h) What is 'pānīpotā'?
'পানীপোতা' কি?

(i) Name one lower garment of the Assamese traditional dress.
অসমীয়া পৰম্পৰাগত সাজৰ এবিধ অধোবস্ত্ৰৰ নাম লিখা।

(j) Who introduced the 'Nāmghar' in Assam?
অসমত 'নামঘৰ' কোনে প্ৰৱৰ্তন কৰিছিল?



( Continued )



2. Answer very shortly : 2×5=10
অতি চমুকৈ উত্তৰ লিখা :

(a) Write two names of male garments used in the traditional Assamese society.
পৰম্পৰাগত অসমীয়া সমাজত পুৰুষে ব্যৱহাৰ কৰা দুবিধ সাজপাৰৰ নাম লিখা।

(b) What is the background of material culture?
ভৌতিক সংস্কৃতিৰ পটভূমি কি?

(c) What do you mean by 'Sorāghar'?
'চ'ৰাঘৰ' বুলিলে কি বুজা?

(d) Write the names of the instruments which are used in weaving loom of Assamese textile.
অসমৰ তাঁত শিল্পত ব্যৱহৃত সঁজুলিবোৰৰ নাম লিখা।

(e) What do you mean by 'dhekīśāl'?
'ঢেকীশাল' বুলিলে কি বুজা?

3. Answer the following questions : 10×4=40
তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) What do you mean by material culture? Discuss the importance of studying it.
ভৌতিক সংস্কৃতি বুলিলে কি বুজা? ভৌতিক সংস্কৃতি অধ্যয়নৰ গুৰুত্ব কি, বুজাই লিখা।

( Turn Over )

Or / অথবা

What is folk art? Discuss about the folk art of Assam including the tribal society.

লোকশিল্প কি? বিভিন্ন জনগোষ্ঠী সম্ভূত অসমীয়া সমাজৰ প্ৰচলিত লোকশিল্পৰ বিষয়ে আলোচনা কৰা।

(b) What is folk architecture? Write a note on the folk architecture of traditional Missing society.

লোকস্থপতিবিদ্যা কি? অসমৰ মিছিং সমাজত প্ৰচলিত লোকস্থপতিবিদ্যাৰ বিচাৰ কৰি এটি টোকা লিখা।

Or / অথবা

Give a picture of traditional Assamese homestead prevalent in Assam.

পুৰণি অসমৰ পৰম্পৰাগত গৃহ নিৰ্মাণৰ এখনি প্ৰতিচ্ছবি নিৰ্মাণ কৰা।

(c) Write a note on 'Terracotta toys' found in the district of Goalpara.

গোৱালপাৰা জিলাত প্ৰাপ্ত 'পোৰামাটিৰ পুতলা'ৰ ওপৰত এটি টোকা লিখা।

Or / অথবা

Write a note on 'Sārthebārīr Kāhśilpa'.

অসমৰ 'সাৰ্থেবাৰীৰ কাঁহশিল্প'ৰ ওপৰত এটি টোকা লিখা।





(d) What is folk costume? Write a note on the traditional dress prevalent in the Bodo Community of Assam.

লোক আভৰণ বুলিলে কি বুজা? অসমৰ বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত সাজপাৰৰ ওপৰত এটি টোকা লিখা।

Or / অথবা

Illustrate the importance of paddy field (Pathār), granary (Bharal) and areca-nut (Tāmol-pān) in Assamese folklore.

অসমীয়া লোকসংস্কৃতিত 'পথাৰ', 'ভঁৰাল' আৰু 'তামোল-পাণ'ৰ গুৰুত্ব শীৰ্ষক এটি বিশ্লেষণ আগবঢ়োৱা।

5×4=20

4. Write short notes on :

চমু টোকা লিখা :

(a) Folk cookery

লোকৰন্ধন প্ৰণালী

(b) Handloom industry of Assam

অসমৰ হস্ত-তাঁতশিল্প

(c) 'Monikūt' of Nāmghar

নামঘৰৰ 'মণিকূট'

(d) 'Jetukā' and 'Kopouphool' of Assamese folklore

অসমীয়া লোকসংস্কৃতিত 'জেতুকা' আৰু 'কপৌফুল'

***